Learning on TAP

# সহায়ক প্ৰযুক্তি

# মূল বাৰ্তাসমূহ ঃ দৃষ্টি সহায়ক সামগ্ৰী

## পাঠ এক ঃ দৃষ্টি আৰু দৃষ্টিৰ সমস্যা

- দূৰৰ দৃষ্টি হৈছে বহু আঁতৰৰ পৰা বস্তু দেখাৰ ক্ষমতা।
- ওচৰৰ দৃষ্টি হৈছে কাষৰ পৰা বস্তু দেখাৰ ক্ষমতা।
- দৃষ্টিৰ সমস্যাবোৰ চিকিৎসা আৰু/ অথবা সহায়ক সামগ্ৰীৰ সহায়ত প্ৰতিৰোধ, উন্নয়ন বা শুধৰণি কৰিব পাৰি।
- দৃষ্টিৰ সমস্যাবোৰ সাধাৰণতে চকুৰ স্বাস্থ্যজনিত সমস্যা বা প্ৰতিসৰণ ত্ৰুটিৰ বাবে হয়।
- প্ৰতিসৰণ ত্ৰুটি হৈছে চকুৰ আকাৰৰ এক সমস্যা। ইয়াৰ ফলত হ'ব পাৰে ঃ
  - দূৰৰ দৃষ্টিৰ সমস্যা (মায়োপিয়া বা নিকট দৃষ্টি) ঃ মানুহে দূৰৰ বস্তু স্পষ্টকৈ দেখাত অসুবিধা পায়।
  - ওচৰৰ দৃষ্টিৰ সমস্যা (হাইপাৰোপিয়া বা দূৰদৃষ্টি) ঃ মানুহে ওচৰৰ বস্তু দেখাত অসুবিধা পায়।
  - বয়স্ক মানুহৰ ওচৰৰ দৃষ্টিৰ সমস্যা (প্ৰেচবায়োপিয়া) ঃ ৪০ বছৰৰ ওপৰৰ মানুহে ওচৰৰ বস্তু দেখাত অসুবিধা পায়।
  - দৃষ্টিবৈষম্য (Astigmatism) ঃ মানুহে ওচৰৰ আৰু দূৰৰ দুয়োটা বস্তু স্পষ্টকৈ দেখাত অসুবিধা পায়।
- কিছুমান দৃষ্টিৰ সমস্যা চিকিৎসাৰ দ্বাৰা সম্পূৰ্ণৰূপে শুধৰণি কৰিব নোৱাৰি। ইয়াৰ ভিতৰত আছে ক্ষীণ দৃষ্টি আৰু অন্ধত্ব। কিছুমান সহায়ক সামগ্ৰীয়ে মানুহক তেওঁলোকে কৰিব বিচৰা কামবোৰ কৰাত সহায় কৰিব পাৰে।

## পাঠ দুই ঃ দৃষ্টিৰ সহায়ক সামগ্ৰী

- দৃষ্টিৰ সহায়ক সামগ্ৰীৰ ভিতৰত আছে—
  - দৃষ্টি শুধৰণি বা উন্নত কৰা সামগ্ৰী। উদাহৰণস্বৰূপে, ওচৰৰ দৃষ্টিৰ চশমা, পৰামৰ্শভিত্তিক চশমা, মেগনিফায়াৰ, টেলিস্কোপ।
  - নিম্ন দৃষ্টি বা অন্ধত্বযুক্ত ব্যক্তিক শুনা বা স্পৰ্শৰে কাম কৰাত সহায় কৰা সামগ্ৰী। উদাহৰণস্বৰূপে, ব্ৰেইল শ্লেট আৰু স্টাইলাছ, অডিঅ' প্লেয়াৰ, কথা ক'ব পৰা ঘড়ী।
  - নিম্ন দৃষ্টি বা অন্ধত্বযুক্ত ব্যক্তিক ঘূৰি ফুৰাত সহায় কৰা সামগ্ৰী। উদাহৰণস্বৰূপে, হুৱাইট কেন (white cane)।
- মানুহে নিজৰ প্ৰয়োজন আৰু কামৰ ওপৰত নিৰ্ভৰ কৰি এটাতকৈ অধিক ধৰণৰ দৃষ্টিৰ সহায়ক সামগ্ৰী ব্যৱহাৰ কৰিব পাৰে।
- কিছুমান দৃষ্টিৰ সহায়ক সামগ্ৰী TAP-ত অন্তৰ্ভুক্ত হৈছে, আৰু কিছুমান হোৱা নাই (যেনে- পৰামৰ্শভিত্তিক চশমা), কাৰণ সেইবোৰৰ বাবে বিশেষ দক্ষতা আৰু সঁজুলিৰ প্ৰয়োজন।

## পাঠ তিনি ঃ সাধাৰণ দৃষ্টি পৰীক্ষণ কেনেকৈ কৰিব

- TAP দৃষ্টি স্ক্ৰিন এটা সম্পূৰ্ণ দৃষ্টি মূল্যায়ন নহয়। ই এটা স্ক্ৰিনিং য'ত পৰীক্ষা কৰা হয় ব্যক্তিজনৰ চকুৰ স্বাস্থ্যজনিত সমস্যা বা দেখাত অসুবিধা আছে নেকি, আৰু তেওঁক ঃ
  - চকুৰ স্বাস্থ্য বিশেষজ্ঞ বা চিকিৎসকৰ ওচৰলৈ পঠাব লাগে নে নাই।
  - পৰামৰ্শভিত্তিক চশমাৰ বাবে পঠাব লাগে নে নাই।
  - TAP-ত অন্তৰ্ভুক্ত দৃষ্টিৰ সহায়ক সামগ্ৰীৰ পৰা উপকৃত হ'ব পাৰে নেকি।
- TAP দৃষ্টি স্ক্ৰিন ফৰ্মে স্ক্ৰিনিংক পথ প্ৰদৰ্শন কৰে আৰু ইয়াত অন্তৰ্ভুক্ত ঃ
  - সাধাৰণ চকুৰ স্বাস্থ্য পৰীক্ষা (৮ বছৰ আৰু তাতকৈ ডাঙৰৰ বাবে)- চকুৰ অস্বাস্থ্যকৰ লক্ষণ চিনাক্ত কৰাত সহায় কৰে।
  - সাধাৰণ দূৰৰ দৃষ্টি পৰীক্ষা (৮ বছৰ আৰু তাতকৈ ডাঙৰ) আৰু ওচৰৰ দৃষ্টি পৰীক্ষা (৪০ বছৰ আৰু তাতকৈ ডাঙৰ)- দেখাৰ সম্ভাব্য সমস্যা চিনাক্ত কৰাত সহায় কৰে।

**সাধাৰণ দৃষ্টি স্ক্রিনিংৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰি ল'ব লগা ব্যৱস্থাসমূহ ঃ**

| **সম্ভাব্য ব্যৱস্থা** | **তথ্য** |
|---|---|
| চকুৰ স্বাস্থ্যজনিত সমস্যাৰ বাবে মূল্যায়নলৈ পঠিয়াওক | যদি ব্যক্তিজনৰ চকুৰ স্বাস্থ্যজনিত সমস্যা আছে আৰু সেইটো মূল্যায়ন আৰু চিকিৎসা কৰা হোৱা নাই, তেন্তে দৃষ্টিৰ সহায়ক সামগ্ৰী প্ৰদান কৰিব নালাগে। |
| অধিক বিশদ পৰীক্ষাৰ বাবে চকুৰ স্বাস্থ্য বিশেষজ্ঞৰ ওচৰলৈ পঠিয়াওক | ● ব্যক্তিজনৰ চকুৰ স্বাস্থ্য আৰু দৃষ্টি ভালদৰে পৰীক্ষা কৰিবলৈ চকুৰ পৰীক্ষা প্ৰয়োজন। চিকিৎসকৰ পৰামৰ্শ অনুসৰি চশমা যোগান ধৰাৰ প্ৰয়োজন।<br>● কম দৃষ্টিশক্তি থকা যিকোনো ব্যক্তিৰ দৃষ্টি সহায়ক সামগ্ৰী প্ৰেছক্ৰাইব কৰাৰ আগতে এক সম্পূৰ্ণ চকুৰ পৰীক্ষাও কৰোৱা উচিত, কাৰণ তেওঁলোকৰ অৱস্থা চিকিৎসাযোগ্য হ'ব পাৰে।<br>● যিজন ব্যক্তিয়ে শেহতীয়াকৈ চকুৰ পৰীক্ষা কৰা নাই আৰু সৰল দূৰ-দৃষ্টি পৰীক্ষাত E আখৰবোৰ দেখা নাপায়, তেওঁক প্ৰেৰণ কৰক। এনে ব্যক্তিসকলক প্ৰেছক্ৰিপচন চশমা, অন্য চকুৰ স্বাস্থ্যসেৱা, বা কম দৃষ্টিশক্তিৰ সহায়ক সামগ্ৰীৰ প্ৰয়োজন হ'ব পাৰে। |
| দৃষ্টি সহায়ক সামগ্ৰীয়ে সহায় কৰিব পাৰেনে সেয়া অনুসন্ধান কৰিবলৈ প্ৰস্তাৱ দিয়ক | ● নিকট দৃষ্টিৰ চশমা ঃ যিসকল ব্যক্তিয়ে নিকট দৃষ্টিৰ চশমাৰ পৰা উপকৃত হ'ব পাৰে তেওঁলোক হ'ল ঃ<br>    ● সৰল দূৰ-দৃষ্টি পৰীক্ষাত উত্তীৰ্ণ হোৱা সকল<br>    ● সৰল নিকট-দৃষ্টি পৰীক্ষাত ৩ বা তাতকৈ অধিক E আখৰ দেখা নোপোৱা সকল<br>    ● ৪০ বছৰৰ ওপৰৰ ব্যক্তি।<br>● কম দৃষ্টিশক্তিৰ সহায়ক সামগ্ৰী ঃ যিসকল ব্যক্তিয়ে কম দৃষ্টিশক্তিৰ সহায়ক সামগ্ৰীৰ পৰা উপকৃত হ'ব পাৰে তেওঁলোকে হ'ল যিসকলৰ কিছু দৃষ্টিশক্তি আছে, কিন্তু সৰল দূৰ-দৃষ্টি পৰীক্ষাৰ সময়ত E আখৰ দেখা নাপায়। |